জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৩৭/২০২১

শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ আৰক্ষী বিষয়াসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

# থানাসমূহক দালাল মুক্ত কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

# স্বৰ্গদেউ চ্যুকাফা মাল্টিস্পেচিয়েলিটি হাস্পতালৰ অক্সিজেন পি এছ এ প্লান্ট মুখ্যমন্ত্ৰীৰ দ্বাৰা উদ্বোধন

**দিছপুৰ, ৬ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শিৱসাগৰ জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ চ্যুকাফা সভাকক্ষত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ আৰক্ষী বিভাগৰ বিষয়াসকলৰ সৈতে এক পৰ্যালোচনা বৈঠকত মিলিত হৈ দুয়োখন জিলাৰ আইন-শৃংখলা পৰিস্থিতিৰ বিস্তৃতভাৱে বুজ লয়।

থানাসমূহত বাহিৰা ব্যক্তিৰ দ্বাৰা এজাহাৰ লেখাৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে প্ৰতিখন থানাকে দালাল মুক্ত কৰাৰ বাবে নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে ২০২০ বৰ্ষৰ মাৰ্চ মাহৰ পূৰ্বৰ সকলো অমীমাংসিত গোচৰ আগন্তুক বৰ্ষৰ ৩১ মাৰ্চৰ ভিতৰত মীমাংসা কৰাৰ বাবে যাৱতীয় পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে। পোষ্টমৰ্টেম ৰিপৰ্টসমূহ ৭২ ঘণ্টাৰ ভিতৰত দাখিল কৰাৰ নিশ্চিত পদক্ষেপৰ পোষকতা কৰি মুখ্যমন্ত্ৰীয়ে ইয়াৰ বাবে উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালকৰ মাজত উপযুক্ত সমন্বয় ৰক্ষা কৰি কাম কৰাৰ বাবে নিৰ্দেশ দিয়ে। থানাত দাখিল হোৱা প্ৰতিখন এজাহাৰৰ বিপৰীতে উপযুক্ত ধাৰাৰ গোচৰ ৰুজু কৰাৰ বাবে নিৰ্দেশ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে গুৰুতৰ অপৰাধৰ ক্ষেত্ৰত জামিনবিহীন ধাৰা প্ৰয়োগৰ লগতে তিনি মাহৰ ভিতৰতে চাৰ্জশ্বীট দাখিল কৰাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে প্ৰতিমাহতে এক ক্ৰাইম কনফাৰেন্স অনুষ্ঠিত কৰাৰ লগতে ড্ৰাগছৰ বিৰুদ্ধে চলাই থকা অভিযান আৰু অধিক তীব্ৰতৰ কৰাৰ বাবে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে পুলিচ ভেৰিফিকেশ্যন, পাৰ পত্ৰ ভেৰিফিকেশ্যন ইত্যাদি বিষয়সমূহ সময়মতে প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে দুখীয়া মানুহৰ যাতে কোনো ক্ষেত্ৰতে হাৰাশাস্তি নহয়, তাৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়ে।

আজিৰ এই পৰ্যালোচনা বৈঠকত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, সাংসদ তপন কুমাৰ গগৈ, কামাখ্যা প্ৰসাদ তাছা, বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, থাওৰা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক সুশান্ত বৰগোঁহাই, আৰক্ষী উপ-মহাপৰিদৰ্শক জিৎমল দলে, শিৱসাগৰ জিলাৰ উপায়ুক্ত মেঘনিধি দাহাল, আৰক্ষী অধীক্ষক ৰাকেশ ৰৌশন, চৰাইদেউ জিলাৰ অতিৰিক্ত আৰক্ষী

অধীক্ষক অমিতাভ বসুমতাৰীৰ লগতে দুয়োখন জিলাৰ আৰক্ষী থানাসমূহৰ ভাৰপ্ৰাপ্ত বিষয়াসকল উপস্থিত থাকে।

আনহাতে মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি শিৱসাগৰৰ ৰজাবাৰীস্থিত স্বৰ্গদেউ চ্যুকাফা মাল্টিস্পেচিয়েলিটি হাস্পতালত এটা অক্সিজেন পি এছ এ প্লাণ্ট আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ লগতে হাস্পতালখনৰ 'চ্যুকাফা সঞ্জীৱনী' নামৰ এক বিশেষ কাৰ্যসূচীও শুভাৰম্ভ কৰে। উল্লেখ্য যে এই কাৰ্যসূচীৰ অধীনত হাস্পতালখনে সাধাৰণ জনতাৰ ক'ভিডৰ পিছত উদ্ভৱ হোৱা জটিল পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাত সহায়ক হোৱাকৈ ১০০ টা অক্সিজেন কনচেনট্ৰেটৰ মজুত কৰি ৰাখিব।

হাস্পতালখন পৰিদৰ্শনৰ সময়তে মুখ্যমন্ত্ৰীয়ে হাস্পতালখনৰ ক'ভিড ৱাৰ্ড পৰিদৰ্শন কৰি ইয়াৰ সা-সুবিধাৰ বুজ লয়। পৰিদৰ্শনৰ সময়ত হাস্পতাল কৰ্তৃপক্ষই মাল্টিস্পেচিয়েলিটি হাস্পতালখনত থকা বিভিন্ন সা-সুবিধাৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰাৰ লগতে ভৱিষ্যতৰ পৰিকল্পনা সম্বন্ধে অৱগত কৰে।

হাস্পতালখন পৰিদৰ্শনৰ সময়ত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, সাংসদ তপন কুমাৰ গগৈ, কামাখ্যা প্ৰসাদ তাছা, বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, থাওৰা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক সুশান্ত বৰগোঁহাই, প্ৰাক্তন বিধায়ক কুশল দুৱৰী, নৱনিতা সন্দিকৈ, স্বৰ্গদেউ চ্যুকাফা মাল্টি স্পেচিয়েলিটি হাস্পতালৰ মুখ্য-কাৰ্যবাহী বিষয়া ডাঃ প্ৰকাশ ক'লনুকাৰ প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

আনহাতে শিৱসাগৰৰ পৰা গুৱাহাটীলৈ ওভতাৰ পথত মুখ্যমন্ত্ৰীয়ে যোৰাহট আৱৰ্ত ভৱনৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত জিলাখনৰ আইন-শৃংখলাজনিত পৰিস্থিতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে জিলাখনৰ স্পৰ্শকাতৰ এলেকাসমূহ নিয়মীয়াকৈ টহল দিয়াৰ পদক্ষেপ ল'বলৈ আৰক্ষী বিভাগক নিৰ্দেশ দিয়ে।

আজিৰ এই পৰ্যালোচনা বৈঠকত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ তপন কুমাৰ গগৈ, কামাখ্যা প্ৰসাদ তাছা, আৰক্ষী উপ-মহাপৰিদৰ্শক জিৎমল দলে, যোৰাহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মন, আৰক্ষী অধীক্ষক অংকুৰ জৈনৰ লগতে জিলাখনৰ আৰক্ষী থানাসমূহৰ ভাৰপ্ৰাপ্ত বিষয়াসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**৬-১১-২০২১**